

বাৰ্ষিক মুখপত্ৰ | ২০২২-২০২৩

# অনুৰণন

MANGALDAI COMMERCE COLLEGE
ESTD 1982

## মঙলদৈ বাণিজ্য মহাবিদ্যালয়

তত্বাৱধায়কদ্বয় ঃ
ড° হেমন্ত চক্ৰৱৰ্তী, শ্ৰীবাবুল দত্ত

সম্পাদক ঃ
শ্ৰীকৌশিক বৰুৱা

# বৌঁপাতৰ কথাৰে —

নিৰ্জনতাৰ সোপানে সোপানে
মৃদু সমীৰণত ঝংকাৰ তুলি
অনুভৱৰ দূৰ সীমনাত
গুঞ্জৰিত হয়.......
“অনুৰণন”।

শুকুলা মেঘৰ আঁৰে আঁৰে
ইন্দ্ৰধনুৰ ৰহণ সিচি
মুগ্ধ হিয়াৰ অৰঙে - দৰঙে
সঞ্চাৰিত হয়.......
“অনুৰণন”।

পক্ষীজাকৰ কাকলিৰ ছন্দে ছন্দে
জিৰ্ - জিৰ্ নিজৰাৰ মধুৰ মূৰ্চনাত
পাহাৰে - ভৈয়ামে অহৰ্নিশে
মুখৰিত হয় ......
“অনুৰণন”।

ভাগৰুৱা দুচকুৰ কেনভাচত
স্বপ্ন বিভোৰ হেঁপাহৰ ছবি আঁকি
নৱ - প্ৰেৰণাৰ দিশে
প্ৰৱাহিত হয় .......
“অনুৰণন”।

— নীলোৎপল নাৰায়ণ কোঁৱৰ

# অনুৰণন

## বাৰ্ষিক মুখপত্ৰ

MANGALDAI COMMERCE COLLEGE

ESTD 1982

## মঙলদৈ বাণিজ্য মহাবিদ্যালয়

## বৰ্ষ ঃ ২০২২-২০২৩

প্ৰতি

মাননীয়/মাননীয়া ..........................................................................

..........................................................................

তত্বাৱধায়কদ্বয়

ড০ হেমন্ত চক্ৰৱৰ্তী, শ্ৰীবাবুল দত্ত

সম্পাদক

শ্ৰীকৌশিক বৰুৱা

"**ANURANAN**" : *The annual house journal edited by Kaushik Barua_and published by the Editorial Board of Mangaldai Commerce College Magazine Publication Committee for the session 2022-23.*

# সম্পাদনা সমিতি

## মঙলদৈ বাণিজ্য মহাবিদ্যালয়ৰ মুখপত্ৰ ২০২২-২০২৩ বৰ্ষ


সভাপতি : শ্ৰীপংকজ কুমাৰ সাহা

উপদেষ্টা : শ্ৰীৰঞ্জিত শৰ্মা

শ্ৰীমিনু বড়া

ড° ৰমেন কলিতা

তত্ত্বাৱধায়কদ্বয় : ড° হেমন্ত চক্ৰৱৰ্তী

শ্ৰীবাবুল দত্ত

সম্পাদক : শ্ৰীকৌশিক বৰুৱা

বিশেষ সদস্য : শ্ৰীকমলেশ্বৰ ডেকা

শ্ৰীনীলোৎপল নাৰায়ণ কোঁৱৰ

শ্ৰীমনময়ুৰী চহৰীয়া

পদেন সদস্য : শ্ৰীলয়নমণি হাজৰিকা

শ্ৰীকৃষেণজিৎ শৰ্মা

শ্ৰীপ্ৰণৱ বাৰৈ

সদস্যবৃন্দ : শ্ৰীআয়ুষ্মান শাণ্ডিল্য

শ্ৰীকিশোৰ হাজৰিকা

মিছ আফছানা বেগম

শ্ৰীদীক্ষিতা বণিয়া

বেটুপাত পৰিকল্পনা : শ্ৰীনীলোৎপল নাৰায়ণ কোঁৱৰ



মুদ্ৰণ : ভৱালী অফছেট

এল. এন. বি. ৰোড়, মঙলদৈ

Ph. No.- 98543-42701

# উচৰ্গা



লতা মঙ্গেসকাৰ
ভাৰত ৰত্ন, প্ৰসিদ্ধ গায়িকা



বশিষ্ঠ দেৱ শৰ্মা
বুঢ়াসত্ৰীয়া, বৰপেটা সত্ৰ



নীলপৱন বৰুৱা
প্ৰখ্যাত চিত্ৰশিল্পী



হোমেন বৰগোহাঞি
সাহিত্যিক, সাংবাদিক,
সমালোচক, কবি আৰু গল্পকাৰ



নিপন গোস্বামী
বিশিষ্ট অভিনেতা



কিশোৰ দাস
যুৱ অভিনেতা

**২০২২-২০২৩ বৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা**
**শ্ৰদ্ধা আৰু আদৰৰ ব্যক্তিসকলৰ নামত**
**"অনুৰণন"ৰ এই সংখ্যা উচৰ্গা কৰা হ'ল।**

# শ্ৰদ্ধাঞ্জলি

যিসকল বৰেণ্য শিল্পী, সাহিত্যিক, জননেতা আৰু
মঙলদৈ বাণিজ্য মহাবিদ্যালয়ৰ
প্ৰতিষ্ঠা আৰু উত্তৰণত বিশেষ অৱদান
আগবঢ়োৱা লোক তথা অসমৰ অস্তিত্ব ৰক্ষাত
প্ৰাণ আহুতি দিয়া মহীৰূহে
ইহ-সংসাৰ ত্যাগ কৰি
পবিত্ৰ ধামলৈ গমণ কৰিলে;
"অনুৰণন"ৰ এই সংখ্যাত
তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰি
আমি যাচিছোঁ একাজলি শ্ৰদ্ধাঞ্জলি।

সম্পাদনা সমিতি-
"অনুৰণন"

ৰণোজ পেগু
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



## শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে দৰং জিলাত অৱস্থিত বাণিজ্য শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ দিহা কৰা হৈছে।

দেশভক্ত তৰুণ ৰাম ফুকন দেৱে কৈছিল-

"শিক্ষাৰ উদ্দেশ্য মন প্ৰশস্ত কৰা, চিন্তাশক্তি বঢ়োৱা, শিক্ষাৰ্থীক নানা ভাৱদি ভৱিষ্যত জীৱন যুদ্ধত দেশৰ আৰু জগতৰ কল্যাণ সাধনত সৰ্বতো প্ৰকাৰে যোগ্যবান কৰা"।

শিক্ষা অবিহনে পৃথিৱীখন অন্ধকাৰ। প্ৰবল ইচ্ছাশক্তি আৰু আত্মবিশ্বাস থাকিলে মানুহে যিকোনো অসম্ভৱ কামকো সম্ভৱ কৰি তুলিব পাৰে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ওপৰত বিশ্বাস ৰাখি অধ্যয়নত ব্ৰতী হলে ভৱিষ্যত জীৱনত নিশ্চয় এজন সফল ব্যক্তি হ'ব পাৰিব। এই শিক্ষানুষ্ঠান খনে সমগ্ৰ দৰং জিলাত প্ৰধানকৈ বাণিজ্য শিক্ষা প্ৰদানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু আশা কৰো শিক্ষানুষ্ঠান খনে অনাগত দিনত এই ধাৰা অব্যাহত ৰাখিব।

মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনী খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠান খনৰ উজ্জ্বল ভৱিষ্যত আন্তৰিকতাৰে কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

ড° সূৰ্য্যকান্ত হাজৰিকা
সভাপতি

**অসম সাহিত্য সভা**

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইনষ্টিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭



## শুভেচ্ছাবাণী

শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ সক্ৰিয়তাই সামাজিক পৰিৱেশত যোগাত্মক প্ৰভাৱ পেলাই উৎকৃষ্ট মানৰ সম্পদ সৃষ্টিৰে দেশক বৌদ্ধিকভাৱে সবল কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে। এনে প্ৰতিষ্ঠানসমূহে বহুকাল ধৰি বিভিন্ন দিশেৰে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰেৰে আলোকিত কৰিবলৈ প্ৰয়াস কৰি আহিছে। অসমৰ অন্যান্য আদৰ্শযুক্ত শিক্ষা প্ৰতিষ্ঠানসমূহৰ নিচিনাকৈ মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক গোট আৰু ছাত্ৰ-ছাত্ৰীসকলে উৎসাহ-উদ্দীপনাৰে শৈক্ষিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশৰ বিকাশত অগ্ৰাধিকাৰ দি আহিছে। অতি আনন্দৰ বিষয় যে উক্ত মহাবিদ্যালয়খনে ২০২৩ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰ 'অনুৰণন' প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰস্তুত কৰি উলিওৱা মুখপত্ৰখনে জ্যেষ্ঠ সাহিত্যিক, প্ৰবক্তাবৃন্দ তথা ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ অনুৰণন ঘটাই জ্ঞানৰ পোহৰ বিলোৱাৰ লগতে সাহিত্যৰ অনুশীলনৰ পৃষ্ঠভূমিৰূপেও কাৰ্য সম্পাদন কৰিব বুলি আশা ৰাখিলোঁ। 'মুখপত্ৰ'খনে মহাবিদ্যালয়খনৰ কীৰ্তি আৰু ঐতিহ্যৰ লগতে নতুন চামৰ প্ৰতিভা বিকাশৰো সুযোগ আনিব বুলি বিশ্বাস ৰাখিছোঁ। এনে শুভ কাৰ্যৰ প্ৰাক্ মুহূৰ্তত মহাবিদ্যালয়খনৰ পৰিয়ালবৰ্গ তথা মৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ অসম সাহিত্য সভাৰ তৰফৰ পৰা হিয়া উজাৰি শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

শুভেচ্ছাৰে,-

(ড° সূৰ্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

১৬ আহিন, ১৪৩০ ভাস্কৰাব্দ
৪ অক্টোবৰ, ২০২৩ খ্ৰীঃ

বাসগৃহৰ ঠিকনা ঃ চন্দ্ৰকান্ত প্ৰেছ ভৱন, ১, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই-মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com

গুৱাহাটী বিশ্ববিদ্যালয়
**GAUHATI UNIVERSITY**

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
E-mail ID : vc@gauhati.ac.in



## MESSAGE

I have the pleasure to offer my appreciation to the *Magaldai Commerce College* for its effort to publish its annual college magazine titled "ANURANAN" for the session 2022-2023. I believe this publication will be a strong medium for the students for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time. I hope that the said publication will be richly endowed with contributions from the students and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

Date: 28.09.2023

P.J. Handique
(Pratap Jyoti Handique)
Vice Chancellor
Gauhati University

**Address:** Guwahati-781014 Assam:India **Phone:** 7099023760 **Web:** www.gauhati.ac.in

অসম চৰকাৰ

আয়ুক্তৰ কাৰ্য্যালয় : দৰং : মংগলদৈ



**<u>শুভেচ্ছাবাণী</u>**


মংগলদৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে চলিত শিক্ষা বৰ্ষ (২০২২-২৩)ৰ মহাবিদ্যালয়ৰ মুখপত্ৰ "অনুৰণন" প্ৰকাশ কৰাৰ ব্যৱস্থা কৰাত মই নথৈ আনন্দিত হৈছো। মুখপত্ৰ বা আলোচনী এখন অনুষ্ঠানটিৰ দাপোন সদৃশ। আলোচনী খনে মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়ত্ৰী সকলক পুথিগত শিক্ষাৰ লগতে সাহিত্য চৰ্চা কৰাৰো এক সুন্দৰ সুযোগ প্ৰদান কৰে।

মই বাণিজ্য মহাবিদ্যালয়খনৰ সমুহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো আৰু আলোচনী খন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাব বুলি শুভেচ্ছা জ্ঞাপন কৰিলো।

(মুণিন্দ্ৰ নাথ ঙাটে)
জিলা আয়ুক্ত
দৰং, মঙ্গলদৈ

## গুৱাহাটী বিশ্ববিদ্যালয়

ড০ দেৱহৰি তালুকদাৰ
এম.এ, এম.এড,এম.ফিল,পিএইচ্.ডি
সঞ্চালক,
গুৱাহাটী বিশ্ববিদ্যালয় দূৰ
আৰু অনলাইন শিক্ষা কেন্দ্ৰ



## শুভেচ্ছাবাণী

দৰং জিলাৰ বাণিজ্য শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা মঙলদৈ বাণিজ্য মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰে পৰা উচ্চ শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। আন বছৰ সমূহৰ দৰে এইবছৰো মহাবিদ্যালয়খনে অনুষ্ঠানখনৰ বাৰ্ষিক মুখপত্ৰ "অনুৰণন" প্ৰকাশ কৰিব বুলি জানি সুখী হৈছো। শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী প্ৰমূখ্যে সকলোৰে বাবে বৌদ্ধিক তথা সাহিত্য চৰ্চাৰ ধাৰাটো সজীৱ কৰি ৰখাৰ উদ্দেশ্যে স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা কৰাতো এটা প্ৰশংসনীয় পদক্ষেপ। স্মৃতিগ্ৰন্থখনত প্ৰকাশ পাবলগীয়া লিখনি সমূহত মঙলদৈ বাণিজ্য মহাবিদ্যালয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই অহা অৱদানসমূহৰ এখন স্বচ্ছ প্ৰতিছবি প্ৰতিফলিত হ'ব বুলি আশা ৰাখিলো।

মঙলদৈ বাণিজ্য মহাবিদ্যালয় উত্তৰোত্তৰ কামনা কৰাৰ লগতে স্মৃতিগ্ৰন্থ প্ৰকাশৰ লগত জড়িত সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

ড০ দেৱহৰি তালুকদাৰ